গৌহাটী উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

গোচৰ নম্বৰ: লেখ আবেদন (দেৱানী) ৫৫৭/২০২৩

ইমতিয়াজ আহমেদ ছিদ্দিকী

পিতাঃ নাজীব আহমেদ ছিদ্দিকী,

বৰ্তমানত ৱাৰাণ্ট অফিচাৰ/ক্লাৰ্ক হিচাপে কৰ্মৰত, নং ২ ৱাৰ্কশ্বপ অসম ৰাইফলছ, শিলচৰ, জিলা- কাছাৰ, অসম।

- বনাম -

ভাৰত চৰকাৰ আৰু অন্যান্য ২

প্ৰতিনিধিত্ব কৰিছে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ সচিবে, নৰ্থ ব্লক, নতুন দিল্লী- ১১০০০১

২. সঞ্চালক প্ৰধান, অসম ৰাইফলছ, শ্বিলং, মেঘালয়, পিন- ৯৭৩০১১

৩. কমাণ্ডাণ্ট, নং ২ ৱাৰ্কশ্বপ, অসম ৰাইফলছ, শিলচৰ, জিলা- কাছাৰ, অসম

## মাননীয় ন্যায়াধীশ শ্ৰী সঞ্জয় কুমাৰ মেধি

আবেদকাৰীৰ অধিবক্তা:  শ্ৰীমতি সুৰভি বৰা, অধিবক্তা

উত্তৰদাতাৰ অধিবক্তা:  শ্ৰী বি চক্ৰৱৰ্তী, কেন্দ্ৰীয় চৰকাৰৰ অধিবক্তা

শুনানি তাৰিখ: ০৭.০৮.২০২৪

ৰায়ৰ তাৰিখ: ০৭.০৮.২০২৪

## ৰায় আৰু আদেশ

ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ২২৬ৰ অধীনত দাখিল কৰা এই আবেদনত উত্থাপন কৰা অভিযোগটো MACP প্ৰদান নকৰাৰ সৈতে জড়িত। মুখ্য যুক্তিটো হৈছে যে, এই প্ৰত্যাখ্যান ACR (বাৰ্ষিক গোপনীয় প্ৰতিবেদন) ত দিয়া কিছুমান গ্ৰেডিঙৰ আধাৰত কৰা হৈছে যিটো আবেদনকাৰীৰ মতে জনোৱা হোৱা নাছিল।

২) আবেদনকাৰীৰ পক্ষৰ বিজ্ঞ অধিবক্তা শ্ৰীমতি চি. বৰাৰ কথাৰ যুক্তি শুনিলো। লগতে কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞ অধিবক্তা শ্ৰী বি. চক্ৰৱৰ্তীৰ যুক্তিও শুনিছোঁ, যিয়ে ২৩.১১.২০২৩ তাৰিখে প্ৰত্যুত্তৰ শপতনামা দাখিল কৰিছে।

৩) বিজ্ঞ অধিবক্তা শ্ৰীমতি বৰাই উপস্থাপন কৰিছে যে আবেদনকাৰীক প্ৰথমে ২৩.০১.২০০২ তাৰিখে ৱাৰাণ্ট অফিচাৰ/ক্লাৰ্ক হিচাপে অসম ৰাইফলছত অন্তৰ্ভুক্ত কৰা হৈছিল। আবেদনকাৰীৰ

অভিযোগ হৈছে যে ২৩.০১.২০২২ তাৰিখে ২০ বছৰ সেৱা সম্পূৰ্ণ কৰাৰ পিছতো , তেওঁক ২য় MACP-ৰ সুবিধা দিয়া নহ'ল।

৪) বিজ্ঞ অধিবক্তাৰ মতে , আবেদনকাৰীৰ বিশেষ যুক্তি হৈছে যে MACP প্ৰদান ACR (বাৰ্ষিক গোপনীয় প্ৰতিবেদন)-ৰ গ্ৰেডিঙৰ আধাৰত কৰা হৈছিল আৰু সেই গ্ৰেডিঙসমূহ জনোৱা হোৱা নাছিল। উপস্থাপন কৰা হৈছে যে ACR-ৰ গ্ৰেডিঙসমূহ জনোৱাটো এক বাধ্যতামূলক প্ৰয়োজনীয়তা আৰু এটা আইনী দায়িত্ব , যাৰ জৰিয়তে কৰ্মচাৰীয়ে গ্ৰেডিঙ উন্নীত কৰাৰ বাবে আবেদন দাখিল কৰাৰ লগতে নিজৰ কাৰ্যক্ষমতা উন্নত কৰিবলৈ সুযোগ পায়।

৫) বিদ্বান অধিবক্তাই এচিআৰৰ গ্ৰেডিংসমূহ জনোৱাৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত তলত দিয়া ন্যায়িক সিদ্ধান্তসমূহৰ উল্লেখ কৰিছে:

(i) দেৱ দত্ত বনাম ভাৰত চৰকাৰ আৰু অন্যান্য (২০০৮) ৮ এছচিচি ৭২৫-ত ৰিপৰ্ট কৰা হৈছে।

(ii) অনিল কুমাৰ বনাম ভাৰত চৰকাৰ আৰু অন্যান্য , ২০১৯ (৪) এছচিচি ২৭৬ -ত ৰিপৰ্ট কৰা হৈছে।

(iii) সুখদেৱ সিং বনাম ভাৰত চৰকাৰ আৰু অন্যান্য , (২০১৩) ৯ এছচিচি ৫৬৬ত ৰিপৰ্ট কৰা হৈছে

(৬) আনহাতে, বিজ্ঞ চিজিচি শ্ৰী চক্ৰৱৰ্তীয়ে যুক্তি দিছিল যে আবেদনকাৰীৰ বিৰুদ্ধে লোৱা বিবাদীয় ব্যৱস্থাৰ একমাত্ৰ কাৰণ এচিআৰ গ্ৰেডিং নহয়। তেওঁ কয় যে আইনী পদ্ধতি ন্যায্যভাৱে পালন কৰি আন কৰ্মচাৰীক এমএচিপিৰ সুবিধা দিয়া হৈছিল আৰু সেই কৰ্মচাৰীসকলৰ কোনো এজনকো এই গোচৰত পক্ষ হিচাপে অন্তৰ্ভুক্ত কৰা হোৱা নাই। তেওঁ লগতে জোৰ দি কয় যে কেৱল

আবেদনকাৰীয়েই নহয়, একে পৰিস্থিতিত থকা আন ব্যক্তিসকলকো এই প্ৰক্ৰিয়াত এমএচিপিৰ সুবিধাৰ পৰা বঞ্চিত কৰা হৈছিল।

(৭) বিৰোধী যুক্তিবোৰ ভালদৰে বিবেচনা কৰা হৈছে।

(৮) এমএচিপি প্ৰদান কৰাটো কেইবাটাও কাৰকৰ ওপৰত নিৰ্ভৰশীল , য'ত এচিআৰ গ্ৰেডিং অন্যতম মূল কাৰক। অৰ্থাৎ আমি বিবেচনা কৰিব লাগিব যে প্ৰতিষ্ঠিত আইন অনুসৰি এইবোৰ জনোৱাতো নিয়োগকৰ্তাৰ আইনী কৰ্তব্য আৰু এই গ্ৰেডিংসমূহ কিমান গুৰুত্বপূৰ্ণ।

(৯) মাননীয় উচ্চতম ন্যায়ালয়ে অনিল কুমাৰ গোচৰত (উপৰোক্ত) পূৰ্বৰ ৰায়সমূহ পুনৰীক্ষণ কৰাৰ পিছত এজন কৰ্মচাৰীক এচিআৰ সন্দৰ্ভত আবেদন দাখিল কৰাৰ সুযোগ দিয়াৰ প্ৰয়োজনীয়তা পুনৰ দৃঢ়ভাবে উল্লেখ কৰে।

এই সন্দৰ্ভত তলত উল্লেখ কৰা গোচৰসমূহত কৰা পৰ্য্যবেক্ষণসমূগ নিম্নোক্ত ভাবে উল্লেখ কৰা হৈছে-

*'১০-দেৱ দত্ত বনাম ভাৰত চৰকাৰ গোচৰত খণ্ড বিচাৰপীঠে সিদ্ধান্ত লৈছিল যে ৰাজহুৱা প্ৰশাসনত ন্যায় আৰু স্বচ্ছতা বজাই ৰাখিবলৈ তেওঁলোকৰ বাৰ্ষিক গোপনীয় প্ৰতিবেদন (ACR)ত কৰা সকলো মন্তব্য বা প্ৰৱেশৰ বিষয়ে এজন ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীক অৱগত কৰাটো প্ৰয়োজনীয়। এইটো তৎকালীনভাৱে কৰিব লাগে, যাতে কৰ্মচাৰীজনে উন্নত কেৰিয়াৰৰ সুযোগৰ বাবে উত্তৰ দিয়াৰ বা সংশোধনৰ অনুৰোধ কৰাৰ সুযোগ পায়। আদালতৰ মতামত আছিল যে যদি কোনো কৰ্মচাৰীক তেওঁলোকৰ এচিআৰত প্ৰৱেশৰ বিষয়ে অৱগত কৰা নহয় , তেন্তে ই তেওঁলোকৰ কেৰিয়াৰত নেতিবাচক প্ৰভাৱ পেলাব পাৰে , যেনে তেওঁলোকৰ পদোন্নতি বা অন্যান্য সুবিধা লাভ কৰাৰ সম্ভাৱনাত প্ৰভাৱ পেলাব পাৰে। এচিআৰ প্ৰৱেশৰ বিষয়ে কৰ্মচাৰীক অৱগত নকৰাটো অন্যায় আৰু স্বেচ্ছাচাৰী বুলি গণ্য কৰা হয় । আদালতে সিদ্ধান্ত লয় যে কৰ্মচাৰীসকলক তেওঁলোকৰ*

*এচিআৰ (বাৰ্ষিক গোপনীয় প্ৰতিবেদন) প্ৰৱেশৰ বিষয়ে অৱগত কৰাৰ নিয়ম কেৱল চৰকাৰী কৰ্মচাৰীৰ ক্ষেত্ৰতে নহয়, আইনৰ সংস্থা, ৰাজহুৱা খণ্ডৰ কোম্পানী আৰু চৰকাৰৰ নিয়ন্ত্ৰণত থকা অন্যান্য সংস্থাসমূহত কাম কৰা লোকসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য।'*

১১) *আদালতৰ তিনিজনীয়া বিচাৰপীঠে সুখদেৱ সিং বনাম ভাৰত চৰকাৰ গোচৰত দেৱদত্তৰ গোচৰত লোৱা সিদ্ধান্ত শুদ্ধ বুলি নিশ্চিত কৰিছিল। আদালতে এই কথাও আঙুলিয়াই দিয়ে যে ইয়াৰ পূৰ্বে তিনিজনীয়া বিচাৰপীঠে , অভিজিত ঘোষ দস্তিদাৰ বনাম ভাৰত চৰকাৰ গোচৰত ইতিমধ্যে একে নীতি অনুসৰণ কৰিছিল।*

১২) *সুখদেৱ সিং গোচৰত তিনিজনীয়া বিচাৰপীঠে মত প্ৰকাশ কৰিছিল-*

*'৮- আদালতে বিশ্বাস কৰে যে দেৱদত্তৰ গোচৰত ৰাজহুৱা সেৱকসকলক তেওঁলোকৰ এচিআৰত প্ৰতিটো প্ৰৱেশৰ বিষয়ে যুক্তিসংগত সময়ৰ ভিতৰত অৱগত কৰাৰ সিদ্ধান্ত আইনগতভাৱে শুদ্ধ আৰু ই তিনিটা গুৰুত্বপূৰ্ণ উদ্দেশ্য সাধন কৰে।*

*(i) যেতিয়া ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীসকলে তেওঁলোকৰ এচিআৰত দিয়া মন্তব্যৰ বিষয়ে জানে , তেতিয়া ই তেওঁলোকক তেওঁলোকৰ কৰ্মক্ষমতা উন্নত কৰিবলৈ আৰু উন্নত ফলাফল দিবলৈ প্ৰেৰণা দিয়ে।*

*(ii) যদি ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীজন তেওঁলোকৰ এচিআৰত প্ৰৱেশৰ বিষয়ে অসন্তুষ্ট হয় , তেন্তে সেই বিষয়ে জানিলে তেওঁলোকে মন্তব্যসমূহৰ পৰ্যালোচনা বা উন্নতিৰ অনুৰোধ কৰাৰ সুযোগ পায়।*

*(iii) সকলো এচিআৰ প্ৰৱেশ জনালে প্ৰক্ৰিয়াটো অধিক স্বচ্ছ হৈ পৰে , ন্যায়পৰায়ণতা নিশ্চিত হয় আৰু নৈসৰ্গিক ন্যায়ৰ নীতিৰ সৈতে খাপ খায়।*

*গতিকে আমি মত পোষণ কৰো যে সকলো ধৰণৰ এচিআৰ প্ৰৱেশ, সেয়া বেয়া, ন্যায্য, মোটামোটি, ভাল বা খুব ভাল হওক, যুক্তিসংগত সময়ৰ ভিতৰত ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীক জনাব লাগিব।'*

১০) গোচৰৰ সমলসমূহে অৱশ্যে গ্ৰেডিংসমূহ আবেদনকাৰীক জনোৱা হৈছিল বুলি ইংগিত নিদিয়ে।

১১) এই আলোচনাৰ ভিত্তিত আদালতে বিশ্বাস কৰে যে আবেদনকাৰীক তেওঁলোকৰ এচিআৰত থকা গ্ৰেডসমূহৰ সন্দৰ্ভত আনুষ্ঠানিক অনুৰোধ বা ব্যাখ্যা দাখিল কৰাৰ সুযোগ দিয়া উচিত , যাৰ লক্ষ্য হ'ল নিয়োগকৰ্তাক তেওঁলোকৰ ৰেটিং উন্নীত কৰিবলৈ সন্মত কৰা। আদালতে এইটোও লক্ষ্য কৰিছে যে এচিআৰ গ্ৰেডৰ বাহিৰেও নিয়োগকৰ্তাই এমএচিপি সুবিধা প্ৰদানৰ সিদ্ধান্ত লওঁতে অন্যান্য প্ৰাসংগিক কাৰকসমূহ বিবেচনা কৰিব লাগিব। আদালতে পূৰ্বে উল্লেখ কৰা অনিল কুমাৰ গোচৰৰ কথা উল্লেখ কৰিছে , য'ত কিছুমান কথা উল্লেখ কৰা হৈছিল , যিবোৰ বৰ্তমানৰ গোচৰৰ লগতো প্ৰাসংগিক।

*'১৭-এম এ চি পিৰ সুবিধা লাভ কৰাটো এটা অধিকাৰ নহয়। ই নিৰ্ভৰ কৰে স্ক্ৰীনিং কমিটীৰ এই কথাটো নিৰ্ধাৰণৰ ওপৰত যে বিষয়াজনে উন্নীতকৰণৰ বাবে প্ৰয়োজনীয় কৰ্মক্ষমতাৰ মানদণ্ড (বেঞ্চমাৰ্ক) পূৰণ কৰিছে নে নাই।'*

১২) এম এ চি পিৰ সুবিধা লাভ কৰাটো এটা অধিকাৰ নহয়। ই নিৰ্ভৰ কৰে স্ক্ৰীনিং কমিটীৰ এই কথাটো নিৰ্ধাৰণৰ ওপৰত যে বিষয়াজনে উন্নীতকৰণৰ বাবে প্ৰয়োজনীয় কৰ্মক্ষমতাৰ মানদণ্ড (বেঞ্চমাৰ্ক) পূৰণ কৰিছে নে নাই।

১৩) পূৰ্বৰ আলোচনাৰ ভিত্তিত আদালতে আবেদনকাৰীক তেওঁলোকৰ প্ৰকৃত প্ৰদৰ্শন প্ৰতিফলিত নকৰে বুলি ভবা এচিআৰ গ্ৰেডৰ বিষয়ে আনুষ্ঠানিক অনুৰোধ দাখিল কৰাৰ অধিকাৰ প্ৰদান কৰি এই লেখ আবেদন নিষ্পত্তি কৰিছে। আবেদনকাৰীয়ে আজিৰ পৰা ১৫ দিনৰ ভিতৰত এই

অনুৰোধ দাখিল কৰিব লাগিব। এবাৰ দাখিল কৰাৰ পিছত কৰ্তৃপক্ষই ইয়াক পুনৰীক্ষণ কৰি নিজৰ বিচাৰৰ ব্যাখ্যা দি এক সুযুক্ত সিদ্ধান্ত দিব লাগিব। এই সিদ্ধান্ত আবেদনকাৰীক জনাব লাগিব। যদি আবেদনকাৰীৰ অনুৰোধ গ্ৰহণ কৰা হয় (অনুকূলভাৱে বিবেচনা কৰা হয়), তেন্তে উত্তৰদাতাসকলে (নিয়োগকৰ্তা বা কৰ্তৃপক্ষ) ফলাফলৰ ওপৰত ভিত্তি কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আবেদনকাৰীৰ অনুৰোধ পৰ্যালোচনা কৰা আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণকে ধৰি সমগ্ৰ প্ৰক্ৰিয়াটো যিমান পাৰি সোনকালে সম্পূৰ্ণ কৰিব লাগে, আদৰ্শগতভাৱে অনুৰোধ পোৱাৰ তাৰিখৰ পৰা দুমাহৰ ভিতৰত।

১৫) লেখ আবেদন নিষ্পত্তি কৰা হ'ল।

ন্যায়াধীশ

মোকাবিলা সহায়ক

অনুবাদ- শ্ৰী মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়